**লেখ আবেদন(দেৱানী) ২২০/২০১৭**

**মাননীয় ন্যায়াধীশ উজ্জ্বল ভূঞা**

আবেদনকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা, বি ডি দাস আৰু তেঁওক সহযোগ কৰা বিজ্ঞ অধিবক্তা এইচ কে শৰ্মা আৰু অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতা বি তালুকদাৰৰ যুক্তি শুনা হ'ল।

২) ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত আবেদনকাৰীয়ে এই আবেদন দাখিল কৰি প্ৰতিপক্ষসকলক তেওঁৰ শিশু যতনৰ বাবে তেঁও আবেদন কৰা ১ (এক) বছৰৰ ছুটী (Child Care Leave) মঞ্জুৰ কৰিবলৈ নিৰ্দেশ বিচাৰে।

৩/ আবেদনকাৰীৰ গোচৰৰ বিষয়বস্তু হ'ল যে যথাযথ বাছনি প্ৰক্ৰিয়াৰ অন্তত, ১৬.০৮.২০১০ তাৰিখৰ নিযুক্তি আদেশৰ ভিত্তিত, তেঁওক তেজপুৰৰ ডেকাৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত ঠিকাভিত্তিক সহকাৰী শিক্ষয়িত্ৰী (বিজ্ঞান) হিচাপে নিযুক্তিৰ বাবে নিৰ্বাচিত কৰা হৈছিল। উক্ত নিযুক্তি আদেশ অনুসৰি আবেদনকাৰীক প্ৰথমতে চুক্তিৰ ভিত্তিত আৰু নিৰ্দিষ্ট মাহিলী দৰমহা ৮,০০০/- টকাৰ বিনিময়ত ৩১.০৩.২০১১ তাৰিখলৈ নিযুক্তি দিয়া হৈছিল। উল্লেখ কৰা হৈছে যে উক্ত সময়সীমাৰ অন্তত আবেদনকাৰীৰ ঠিকাভিত্তিক নিযুক্তিৰ সময়সীমা বৃদ্ধি কৰা হয় আৰু তেওঁৰ নিৰ্দিষ্ট দৰমহাও ২০১২ চনৰ পৰা প্ৰতিমাহে ১৫,৫০০/- টকালৈ বৃদ্ধি কৰা হয়। আবেদনকাৰীয়ে উল্লেখ কৰিছে যে তেওঁ এতিয়াও ডেকাৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত ঠিকাভিত্তিক সহকাৰী শিক্ষয়িত্ৰী (বিজ্ঞান) হিচাপে প্ৰতিমাহে ১৫,৫০০/- টকাৰ নিৰ্দিষ্ট দৰমহাত কাৰ্যনিৰ্বাহ কৰি আছে।

৪) আবেদনকাৰীৰ স্বামী তেজপুৰৰ স্থায়ী বাসিন্দা, কিন্তু বৰ্তমান তেওঁ অসম চৰকাৰৰ আইনী পৰিমাপ বিভাগৰ পৰিদৰ্শক হিচাপে যোৰহাটত কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। ১৮.০১.২০১২ তাৰিখে আবেদনকাৰীৰ এগৰাকী কন্যা সন্তান জন্ম হৈছিল যদিও তেওঁৰ কন্যাৰ Seizure disorder অসুখৰ বাবে গুৱাহাটীৰ International Hospital ত নিয়মীয়াকৈ চিকিৎসা গ্ৰহণ কৰি আছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু

চিকিৎসালয়ৰ মেডিকেল ব’ৰ্ডে আবেদনকাৰীৰ সন্তানৰ অসুস্থতাৰ বিষয়ে প্ৰমাণপত্ৰ প্ৰদান কৰিছে।

৫) আবেদনকাৰীৰ মতে, বিশেষকৈ এই সময়ত তেওঁৰ কন্যা সন্তানক তেওঁৰ সংগ আৰু শুশ্ৰুষাৰ প্ৰয়োজন, যাৰ বাবে তেওঁ তেওঁৰ কন্যাৰ লগত থাকিবলৈ মনস্থ কৰিছে। এই সন্দৰ্ভত আবেদনকাৰীয়ে ২৯.০৮.২০১৬ তাৰিখে শোণিতপুৰ চক্ৰ, তেজপুৰৰ স্কুল পৰিদৰ্শকক ছুটীৰ আবেদন দাখিল কৰে আৰু তাৰ পিছত প্ৰতিপক্ষ নং ৫ অৰ্থাৎ বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰীক ছুটীৰ আবেদন দাখিল কৰি ০১.১০.২০১৬ তাৰিখৰ পৰা কাৰ্যকৰি হোৱাকৈ ডেকাৰগাঁও হাইস্কুল পৰা ছুটী গ্ৰহণ কৰে। কিন্তু আজিলৈকে আবেদনকাৰীক শিশু যতনৰ বাবে লোৱা ছুটী মঞ্জুৰ কৰা হোৱা নাই।

(৬) এই কথাত অসন্তুষ্ট হৈ ওপৰত উল্লেখ কৰা ধৰণে সকাহ বিচাৰি বৰ্তমানৰ লেখ আবেদনখন দাখিল কৰা হৈছে।

৭) অসমৰ মাধ্যমিক শিক্ষা সঞ্চালকে তেওঁৰ শপতনামাত উল্লেখ কৰিছে যে আবেদনকাৰীয়ে তেজপুৰৰ ডেকাৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত ঠিকাভিত্তিক শিক্ষক হিচাপে কাম কৰি আছে। চুক্তিখনৰ দফা-৭ আৰু ৮ৰ, যাৰ ভিত্তিত আবেদনকাৰীয়ে তেওঁৰ চুক্তিবদ্ধ সেৱা আগবঢ়াই আছে, উল্লেখ কৰি কোৱা হৈছে যে এগৰাকী ঠিকাভিত্তিক শিক্ষকে প্ৰতিমাহে ২ ‰ দিনৰ সমানুপাতৰ ভিত্তিত ছুটী লোৱাৰ অধিকাৰী হ’ব। অসুস্থতাৰ ক্ষেত্ৰত সৰ্বাধিক ৬ (ছয়) দিনৰ ছুটী দিয়া হয় যদিও ৬ (ছয়) দিনৰ অধিক ছুটী কোনো ধৰণৰ পাৰিশ্ৰমিক অবিহনে অসাধাৰণ ছুটী (extraordinary leave) হিচাপে মঞ্জুৰ কৰিব পাৰি। যিহেতু আবেদনকাৰীয়ে ঠিকাভিত্তিক শিক্ষক হিচাপে কাম কৰি আছে, সেয়েহে তেওঁ শিশু যতনৰ বাবে লোৱা ছুটীৰ অধিকাৰী নহয়। যি কি নহওক, চৰকাৰী কৰ্মচাৰীক শিশু যতনৰ বাবে লোৱা ছুটীৰ ব্যৱস্থা প্ৰদান কৰা ৩১.০৭.২০১৫ তাৰিখৰ চৰকাৰী অধিসূচনা অনুসৰি এনে ছুটী অধিকাৰৰ বিষয় হিচাপে দাবী কৰিব নোৱাৰি।

৮) আবেদনকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা দাসে যুক্তি দিছিল যে শিশু যতনৰ বাবে লোৱা ছুটী এটা সুবিধাজনক ব্যৱস্থা আৰু সেয়েহে, প্ৰতিপক্ষই আবেদনকাৰীক এনে সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰে। তেওঁ লগতে যুক্তি আগবঢ়ায় যে উত্তৰাখণ্ডৰ উচ্চ ন্যায়ালয়ে ১৫.১২.২০১৬ তাৰিখে সিদ্ধান্ত লোৱা ডাঃ

দীপা শৰ্মা বনাম উত্তৰাখণ্ড চৰকাৰ (২০১৫ চনৰ ৫৪ নং লেখ আবেদন) গোচৰত চৰকাৰক চৰকাৰে বনোৱা আঁচনি অনুসৰি নিয়মীয়াকৈ বা ঠিকাভিত্তিকভাৱে নিযুক্তি দিয়া সকলো মহিলা কৰ্মচাৰীলৈ শিশু যতনৰ বাবে লোৱা ছুটী প্ৰদানৰ বাবে বিশদ নিৰ্দেশনা জাৰি কৰিছে। সেয়েহে তেওঁ যুক্তি দিছিল যে আবেদনকাৰীক ০১.১০.২০১৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ শিশু যতনৰ বাবে লোৱা ছুটী প্ৰদানৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি হ'ব লাগে, যাতে আবেদনকাৰীয়ে উক্ত সময়ছোৱাত তেওঁৰ দৰমহাৰ পৰা বঞ্চিত নহয়।

৯) আনহাতে, শ্ৰীযুত তালুকদাৰ, বিজ্ঞ স্থায়ী পৰামৰ্শদাতাই যুক্তি প্ৰদৰ্শন কৰি কয় যে অসম চৰকাৰৰ মহিলা কৰ্মচাৰীক ৩১.০৭.২০১৫ তাৰিখৰ অধিসূচনাৰ ভিত্তিত শিশু যতনৰ বাবে লোৱা ছুটী প্ৰদান কৰা হয়। উক্ত অধিসূচনাৰ দফা-৯ৰ কথা উল্লেখ কৰি তেওঁ যুক্তি প্ৰদৰ্শন কৰে যে চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীক শিশু যতনৰ বাবে লোৱা ছুটী প্ৰদান কৰা হয়। যিহেতু আবেদনকাৰী ঠিকাভিত্তিক কৰ্মচাৰী আছে আৰু নিয়মীয়া কৰ্মচাৰী নহয়, গতিকে তেওঁ শিশু যতনৰ বাবে লোৱা ছুটীৰ অধিকাৰী নহ'ব।

(১০) পক্ষসমূহৰ বাবে বিজ্ঞ অধিবক্তাই প্ৰদান কৰা যুক্তি বিবেচনা কৰা হ'ল।

১১) যিহেতু আবেদনকাৰীৰ শিশু যতনৰ বাবে লোৱা ছুটীৰ দাবী অসম চৰকাৰৰ বিত্ত বিভাগে জাৰি কৰা ৩১.০৭.২০১৫ তাৰিখৰ অধিসূচনাৰ ভিত্তিত কৰা হৈছে, গতিকে একেখিনিকে কিছু বিশদভাৱে উপস্থাপন কৰাটো উচিত হ'ব।

১২) অসম চৰকাৰৰ বিত্ত বিভাগে ৩১.০৭.২০১৫ তাৰিখৰ অধিসূচনা জাৰি কৰি শিশু যতনৰ বাবে লোৱা ছুটীৰ ব্যৱস্থা কৰিছিল। লেখ আবেদনৰ পৰিশিষ্ট-১২ হিচাপে সংশ্লিষ্ট উক্ত অধিসূচনাখন পঢ়িলে দেখা যাব যে ৰাজ্য চৰকাৰৰ মহিলা কৰ্মচাৰীক শিশু যতনৰ বাবে লোৱা ছুটী প্ৰদানৰ সিদ্ধান্ত অসম চৰকাৰে লৈছে। এনে সিদ্ধান্তৰ পিছত এনে শিশু যতনৰ বাবে লোৱা ছুটীৰ ব্যৱস্থা কৰা মৌলিক নিয়ম আৰু উপবিধি নিয়মত উপবিধি নিয়ম (এছ আৰ) ১২১(২) হিচাপে সন্নিবিষ্ট কৰা হৈছে। ইয়াত কোৱা হৈছে যে যিসকল মহিলা কৰ্মচাৰীৰ নাবালক সন্তান আছে অৰ্থাৎ ১৮ বছৰ বয়সলৈকে সন্তান আছে, সেইসকল মহিলা কৰ্মচাৰীক ছুটী প্ৰদান কৰা ক্ষমতা থকা কৰ্তৃপক্ষই তেনে কৰ্মচাৰীৰ কাৰ্য্যকালৰ সময়ছোৱাত সৰ্বাধিক ২ বছৰৰ বাবে

(৭৩০ দিন) আৰু ২ জন নাবালক শিশুলৈকে লালন-পালনৰ বাবে হওক বা তেওঁলোকৰ যিকোনো প্ৰয়োজনীয়তা যেনে পৰীক্ষা, অসুস্থতা আদি চোৱাচিতা কৰিবলৈয়ে হওক, শিশু যতনৰ বাবে ছুটী প্ৰদান কৰিব পাৰে। গতিকে এগৰাকী মহিলা কৰ্মচাৰীক এনে ছুটী প্ৰদান কৰাটো তেওঁৰ নাবালক সন্তানৰ প্ৰয়োজনীয়তাসমূহ চোৱাচিতাৰ সৈতে জড়িত । ৩১.০৭.২০১৫ তাৰিখৰ অধিসূচনাত উদ্ধৃত এছ আৰ ১২১(২) ত এইটোও উল্লেখ কৰা হৈছে যে এনে ছুটীৰ সুবিধা এবাৰতকৈ অধিক সময়ৰ ভিতৰত ল'ব পাৰি। যদি এনে ছুটী গ্ৰহণযোগ্য হয় তেন্তে ইয়াক আন যিকোনো ধৰণৰ ছুটীৰ সৈতে সংযুক্ত কৰিব পাৰি আৰু ছুটীৰ সময়ছোৱাত দৰমহা অবিহনে (leave without salary) ৩য় বছৰৰ বাবেও বৃদ্ধি কৰিব পাৰি। শিশু যতনৰ বাবে লোৱা ছুটীৰ প্ৰকৃতি আৰ্জিত ছুটীৰ (earned leave) দৰে হ'ব আৰু সেইয়া সৰ্ব্বমুঠ ছুটীৰ পৰা কৰ্তন কৰা নহ'ব। কিন্তু অধিকাৰৰ বিষয় হিচাপে শিশু যতনৰ বাবে লোৱা ছুটীৰ দাবী কৰিব নোৱাৰি আৰু কোনো কৰ্মচাৰীয়ে উপযুক্ত কৰ্তৃপক্ষৰ পূৰ্ব অনুমোদন অবিহনে এনে ছুটী ল'ব নোৱাৰে। ৩১.০৭.২০১৫ তাৰিখৰ অধিসূচনাৰ জৰিয়তে অধিসূচিত এছ আৰ ১২১(২) অনুসৰি মহিলা কৰ্মচাৰীসকলে শিশুসকল প্ৰাপ্তবয়স্ক নোহোৱালৈকে নিজৰ সন্তানৰ যত্ন ল'ব পাৰে। এছ আৰ ১২১(২)(iii)অনুসৰি শিশু যত্নৰ ছুটী এবাৰতকৈ অধিক সময়ৰ ভিতৰত ল'ব পাৰি আৰু এই কথাসাৰৰ অৰ্থ হ'ল যে এনে ছুটী এবাৰ বা এবাৰতকৈ অধিক সময়ৰ ভিতৰত ল'ব পাৰি। ছুটীৰ সুবিধা কেনেকৈ ল'ব লাগে সেয়া মহিলা কৰ্মচাৰীগৰাকীৰ বিবেচনাৰ ওপৰত এৰি দিয়া হৈছে কাৰণ প্ৰকৃতাৰ্থত তেঁওহে শিশুৰ স্বাৰ্থৰ বাবে শিশু যতনৰ বাবে লোৱা ছুটীৰ কেনেকৈ সৰ্বোত্তমভাৱে ব্যৱহাৰ কৰিব পাৰি তাৰ মূল্যায়ন কৰিবলৈ যোগ্য।

১৩) ৰাজ্য চৰকাৰৰ এগৰাকী মহিলা কৰ্মচাৰীৰ শিশু যতনৰ বাবে লোৱা ছুটীৰ প্ৰাপ্যতাৰ বিষয়টো এই আদালতে ২০১৬ চনৰ ডব্লিউ পি (চি) নং ২১৪৫ (ডাঃ সন্তনা ঠাকুৰিয়া বনাম অসম চৰকাৰ)ত আলোচনা কৰিছিল আৰু ২৪.০৬.২০১৬ তাৰিখে ইয়াৰ সিদ্ধান্ত লোৱা হৈছিল। ৩১.০৭.২০১৫ তাৰিখৰ চৰকাৰী অধিসূচনাত উল্লেখ কৰা বিধানসমূহৰ উল্লেখ কৰি এই কথা কোৱা হৈছিল যে শিশু যতনৰ বাবে লোৱা ছুটীৰ ব্যৱস্থা কৰা বিধানসমূহ এটা সুবিধাজনক বিধান আৰু কৰ্তৃপক্ষই ইয়াক নিশ্চিতভাৱে উদাৰতাৰে বিবেচনা কৰিব লাগিব। ই সন্দৰ্ভত ভাৰতৰ সংবিধানৰ ৪২ আৰু ২১ নং অনুচ্ছেদৰ উল্লেখ কৰা হৈছিল। আদালতে ৰায় দিছিল যে শিশু যত্ন

ছুটীৰ ধাৰণাটো ভাৰতৰ সংবিধানৰ ৪২ নং অনুচ্ছেদৰ লগতে ভাৰতৰ সংবিধানৰ ২১ নং অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা জীৱনৰ অধিকাৰৰ বিস্তাৰিত অৰ্থৰ সৈতে সম্পূৰ্ণৰূপে সামঞ্জস্যপূৰ্ণ।

এইদৰে কোৱা হৈছিল:- এইটো এটা সুবিধাজনক ব্যৱস্থা আৰু ইয়াক কৰ্তৃপক্ষই উদাৰতাৰে বিবেচনা কৰিব লাগিব। ৰাষ্ট্ৰৰ এক নিৰ্দেশক নীতী সংবিধানৰ ৪২ নং অনুচ্ছেদত উল্লেখ আছে যে ৰাষ্ট্ৰই কৰ্মৰ ন্যায্য আৰু মানৱীয় চৰ্ত সুৰক্ষিত কৰাৰ ব্যৱস্থা আৰু প্ৰসূতিকালীন ছুটীৰ ব্যৱস্থা কৰিব লাগিব ।পুৰুষ আৰু মহিলাৰ সমতাৰ বিষয়টো আমাৰ সংবিধানৰ মূল শিলাস্তম্ভ। এইক্ষেত্ৰত মহিলা কৰ্মচাৰীসকলৰ বাবে কৰ্মক্ষেত্ৰত মানৱীয় পৰিস্থিতি প্ৰদান আৰু নিশ্চিতকৰণৰ প্ৰচেষ্টা নিতান্তই প্ৰয়োজনীয়।ভাৰতীয় প্ৰেক্ষাপটত এইটো ক'লে অতিৰঞ্জিত নহ'ব যে বেছিভাগ ক্ষেত্ৰতেই কোনো এক পৰিয়ালৰ মহিলা সদস্যসকলেহে সন্তানক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব বহন কৰে।মহিলা কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে বিষয়টোৰ এই দিশটো উপেক্ষা কৰিব নোৱাৰি।কোৱা হয় যে শিশু হৈছে দেশৰ ভৱিষ্যত।গতিকে শিশুৰ শাৰিৰিক আৰু বৌদ্বিক বিকাশৰ সময়ত তেওঁলোকৰ শাৰীৰিক, আৱেগিক আৰু শৈক্ষিক প্ৰয়োজনীয়তাসমূহৰ যত্ন লোৱাটোৱে গুৰুত্বপূৰ্ণ তাৎপৰ্য্য গ্ৰহণ কৰে।ওপৰৰ বিষয়টোৰ আলমত মৌলিক নিয়ম আৰু উপবিধি নিয়ম (এফ আৰ এণ্ড এছ আৰ)ৰ এছ আৰ ১২১ (২)ৰ বিধান বিবেচনা কৰাটো প্ৰয়োজনীয়।তদুপৰি জীৱন সুৰক্ষা আৰু ব্যক্তিগত স্বাধীনতা, যাৰ বিষয়ে সংবিধানৰ ২১ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে, সেইয়া উচ্চতম ন্যায়ালয়ে ধাৰাবাহিকভাবে প্ৰদান কৰা ৰায়দানসমূহত এক বহুল মাত্ৰা প্ৰদান কৰিছে।২১ নং অনুচ্ছেদৰ সাৰমৰ্ম হ'ল প্ৰতিজন ব্যক্তিৰ মানুহ হিচাপে নিজৰ জীৱনটো মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ আছে। জীৱনৰ অধিকাৰত মানৱ সভ্যতাৰ সুক্ষ্ম দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।২১ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা জীৱনৰ অধিকাৰে কেৱল শাৰীৰিক অস্তিত্বকে নহয়, জীৱনৰ মানদণ্ডকো সামৰি লয় আৰু ইয়াত জীৱনৰ সেই সকলোবোৰ দিশ অন্তৰ্ভুক্ত কৰা হ'ব যিবোৰে জীৱনক অৰ্থপূৰ্ণ, সম্পূৰ্ণ আৰু জীয়াই থকাৰ যোগ্য কৰি তোলে। প্ৰতিটো শিশুৰ সম্পূৰ্ণ বিকাশৰ অধিকাৰকো ২১ নং অনুচ্ছেদৰ এটা দিশ হিচাপে স্বীকৃতি দিয়া হৈছে।আমাৰ সাংবিধানিক দৰ্শনৰ পটভূমিতেই শিশু যতনৰ বাবে লোৱা ছুটীৰ ব্যৱস্থাটো বুজি পোৱা আৰু বিবেচনা কৰাটো প্ৰয়োজনীয়। যদিও এগৰাকী মহিলা কৰ্মচাৰীয়ে যোগ্য কৰ্তৃপক্ষৰ

প্ৰয়োজনীয় অনুমোদন নোপোৱাকৈ শিশু যতনৰ বাবে ছুটী ল'ব নোৱাৰে, কিন্তু নিশ্চিতভাৱে শিশু যতনৰ বাবে লোৱা ছুটীৰ ধাৰণাটো ৪২ নং অনুচ্ছেদৰ সৈতে সম্পূৰ্ণৰূপে মিল আছে আৰু সেয়েহে ইয়াক দান বা পৰোপকাৰ কৰা হিচাপে গণ্য কৰা উচিত নহয়। সাধাৰণতে, এচ আৰ ১২১ (২) ত উল্লেখ কৰা ধৰণে শিশু যতনৰ বাবে লোৱা ছুটী নাকচ কৰিব নালাগে। গতিকে প্ৰতিবাদী নং ৪য়ে প্ৰকাশ কৰা মতামত ৰাষ্ট্ৰৰ এফ আৰ আৰু এছ আৰত এছ আৰ ১২১(২) সন্নিৱিষ্ট কৰাৰ আৰৰ চিন্তাধাৰাৰ সৈতে সম্পূৰ্ণৰূপে অমিল যেন বোধ হয়।

১৪) ওপৰৰ আলোচনাৰ বিষয়ৰ আলমত এইটোও মন কৰিবলগীয়া যে এই গোচৰৰ আবেদনকাৰী নিয়মীয়া চৰকাৰী কৰ্মচাৰী নহয়। তেঁও চৰকাৰে নিযুক্তি দিয়া ঠিকাভিত্তিক কৰ্মচাৰী। উত্তৰাখণ্ডৰ উচ্চ ন্যায়ালয়ৰ বিজ্ঞ ন্যায়াধীশসকলৰ প্ৰতি সন্মান জনাই ঠিকাভিত্তিক কৰ্মচাৰীয়ে শিশু যতনৰ বাবে লোৱা ছুটীৰ দাবীৰ সন্দৰ্ভত কিছু পৰিমাণে বাস্তবসম্পন্ন পন্থা গ্ৰহণ কৰিবলগীয়া হ'ব পাৰে। এই ক্ষেত্ৰতো প্ৰাৰম্ভিক চুক্তিবদ্ধ নিযুক্তি ১ (এক) বছৰৰ কম সময়ৰ বাবে আছিল। যদিও পৰৱৰ্তী সময়ত এনে চুক্তিবদ্ধ নিয়োগৰ সময়সীমা সময়ে সময়ে বৃদ্ধি কৰা হৈছে, যদিহে প্ৰাৰম্ভিক চুক্তিবদ্ধ নিযুক্তি ১ (এক) বছৰৰ কম আছিল, তেন্তে নিশ্চিতভাৱে শিশু যতনৰ বাবে লোৱা ছুটী সেই সময়ছোৱাতকৈ অধিক সময়ৰ বাবে প্ৰদান কৰিব নোৱাৰি। শিশু যতনৰ বাবে লোৱা ছুটীৰ সুবিধা ঠিকাভিত্তিক কৰ্মচাৰীক অস্বীকাৰ কৰিব নোৱাৰিলেও, এটা সুবিধাজনক ব্যৱস্থা হোৱাৰ বাবে, এনে চুক্তিবদ্ধ নিয়োগৰ সময়সীমাৰ প্ৰতি লক্ষ্য ৰাখি, এই সুবিধাটো সমানুপাতিকভাবে বৃদ্ধি কৰিবলগীয়া হ'ব পাৰে, যদিও এই ক্ষেত্ৰত, ১৬.০৮.২০১০ চনৰ পৰা ঠিকাভিত্তিক নিযুক্তি অব্যাহত আছে। কিমান পৰ্য্যায়লৈকে বা কিমান দিনলৈকে ছুটী দিয়া উচিত সেয়া কৰ্তৃপক্ষই সিদ্ধান্ত ল'ব কিয়নো বিপৰীতমূখী স্বাৰ্থৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ তেওঁলোকৰেই যোগ্যতা অধিক।

১৫) গতিকে, অসমৰ মাধ্যমিক শিক্ষা সঞ্চালকক এই আদেশৰ প্ৰমাণিত প্ৰতিলিপি লাভ কৰাৰ তাৰিখৰ পৰা ৩০ (ত্ৰিশ) দিনৰ ভিতৰত, আবেদনকাৰীৰ শিশু যতনৰ বাবে প্ৰাৰ্থনা জনোৱা ছুটীৰ বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

১৬) আদালতে লক্ষ্য কৰে যে আবেদনকাৰী যদিও এজন ঠিকাভিত্তিক কৰ্মচাৰী, তেঁও এক চৰকাৰে নিযুক্তি দিয়া কৰ্মচাৰী। চৰকাৰী কৰ্মচাৰী হোৱাৰ বাবে আবেদনকাৰীয়ে ব্যক্তিগত কষ্ট আৰু অসুবিধাৰ মাজতো সকলো সময়তে অনুশাসন বজাই ৰাখিবলৈ বাধ্য। গতিকে আবেদনকাৰীয়ে ০১.১০.২০১৬ তাৰিখৰ পৰা কেৱল বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীক অৱগত কৰি একপক্ষীয়ভাৱে ছুটী লোৱা কাৰ্য্যৰ শলাগ ল'ব নোৱাৰি। কিন্তু আবেদনকাৰীয়ে সন্মুখীন হোৱা মানসিক চাপৰ কথা বিবেচনা কৰি, তেঁওৰ এই কাৰ্য্য তেঁওৰ বিৰুদ্ধে প্ৰমাণ হিচাপে বা নেতিবাচক বিচাৰৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰিব নালাগে আৰু তেখেতৰ আবেদন গুনাগুনৰ ভিত্তিত বিবেচনা কৰিব লাগে।

১৭) লেখ আবেদন নিষ্পত্তি কৰা হ'ল।